**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 29-01-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া উত্তৰাখণ্ডৰ ৰাজধানী ডেৰাডুনত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

২। গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰীট আজি নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত হ'ব।

৩। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই আজি পুৱা অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা ১০০ সংখ্যক কৃত্ৰিম উপগ্ৰহটো সফলতাৰে উৎক্ষেপন কৰে।

৪। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মৌনি অমাৱশ্যা উপক্ষে মহাকুম্ভত দ্বিতীয় অমৃত স্নান আৰম্ভ হৈছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত কালি ইংলেণ্ডে ভাৰতক ২৬ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া উত্তৰাখণ্ডৰ ৰাজধানী ডেৰাডুনত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। দেশৰ বিভিন্ন প্ৰান্তৰ খেলুৱৈসকলে এথলিট পেৰেডত অংশগ্ৰহণ কৰি একতা আৰু ক্ৰীড়া বিদ্যা প্ৰদৰ্শন কৰে। ভাষণত প্ৰধানমন্ত্ৰীয়ে দেৱভূমি উত্তৰাখণ্ডত ৰাষ্ট্ৰীয় ক্ৰীড়া আয়োজন কৰাৰ বাবে গৌৰৱ প্ৰকাশ কৰি এয়া ৰাজ্যখনৰ বাবে ঐতিহাসিক আৰু ঐশ্বৰিক মুহূৰ্ত বুলি অভিহিত কৰে। তেওঁ লগতে কয়, যে বহনক্ষমতাক প্ৰসাৰিত কৰাৰ লগতে ভাৰতৰ পৰম্পৰাগত খেলসমূহ উদযাপিত কৰি এই ৰাষ্ট্ৰীয় খেল **সেউজ ক্ৰীড়া** হিচাপে আয়োজন কৰা হৈছে। ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত ক্ৰীড়াৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰীগৰকীয়ে কয়, যে ভাৰতে ক্ৰীড়াক ইয়াৰ উন্নয়ন যাত্ৰাৰ এটা অবিচ্ছেদ্য অংগ হিচাপে নিৰ্ধাৰণ কৰে। দেশখনে তৃতীয় বৃহত্তম অৰ্থনৈতিক শক্তি হোৱাৰ দিশত ক্ৰমাগতভাৱে আগবাঢ়ি গৈছে। তেওঁ লগতে উল্লেখ কৰে যে, বিগত দশকত ক্ৰীড়াৰ বাজেট তিনি গুণ বৃদ্ধি পাইছে, যাৰ ফলত খেল' ইণ্ডিয়াৰ দৰে পদক্ষেপৰ অধীনত আধুনিক সা-সুবিধা সৃষ্টি কৰিবলৈ সক্ষম হৈছে। ফিট ইণ্ডিয়া আন্দোলনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে যুৱক-যুৱতীসকলক সুস্থ আৰু সক্ৰীয় জীৱনশৈলী আকোৱালি ল'বলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উদ্বোধনী

অনুষ্ঠানত উপস্থিত থকা খেলুৱৈসকলক প্ৰধানমন্ত্ৰীগৰাকীয়ে উৎসাহিত কৰাৰ লগতে বিশ্ব ক্ৰীড়া ক্ষেত্ৰখনত ভাৰতৰ মৰ্যাদা উন্নীত কৰাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে।

০০০০০

গণৰাজ্য দিৱসৰ সামৰণি সমাৰোহ বিটিং ৰিট্ৰিট আজি নতুন দিল্লীৰ বিজয় চ'কত অনুষ্ঠিত হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে এইবেলি স্থলসেনা, নৌসেনা, বায়ুসেনা আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীসমূহৰ বেণ্ডৰ সংগীতৰ তালে তালে ৩০ গৰাকী শিল্পীয়ে দৰ্শকক মন্ত্ৰমুগ্ধ কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্য কেন্দ্ৰীয় মন্ত্ৰীসকলে এই অনুষ্ঠানত ভাগ ল'ব।

০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মৌনি অমাৰশ্যা উপক্ষে মহাকুম্ভত দ্বিতীয় অমৃত স্নান আৰম্ভ হৈছে। মৌনী অমাৰশ্যাৰ ধৰ্মীয় গুৰুত্ব উল্লেখযোগ্য আৰু এই দিনটোত অমৃত স্নানক অতি শুভ বুলি গণ্য কৰা হয়। বিশ্বৰ সৰ্ববৃহৎ ধৰ্মীয় সমাৰেশ হিচাপে স্বীকৃতিপ্ৰাপ্ত মহাকুম্ভ মেলা ১৩ জানুৱাৰীত আৰম্ভ হৈছে আৰু প্ৰথম অমৃত স্নান ১৪ জানুৱাৰীৰ মকৰ সংক্ৰান্তিৰ দিনা সম্পন্ন হয়। উত্তৰ প্ৰদেশ চৰকাৰে সাতটা স্তৰৰ শক্তিশালী নিৰাপত্তা আঁচনি ৰূপায়ণ কৰাৰ লগতে মহাকুম্ভ মেলা এলেকাক যান-বাহন নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰিছে। জৰুৰীকালীন অৱস্থাত ভক্তসকলক সহায় কৰিবলৈ ৰাজ্য আৰু কেন্দ্ৰীয় আৰক্ষী, যানবাহন আৰক্ষী আৰু বিশেষজ্ঞ চিকিৎসকক লৈ এটা দল নিয়োগ কৰা হৈছে।

আজি মৌনী অমাৰস্যা উপলক্ষে প্ৰয়াগৰাজৰ মহাকুম্ভলৈ আহিবলগীয়া বৃহৎ সংখ্যক ভক্তসকলৰ আহ-যাহৰ সূচলতা নিশ্চিত কৰিবলৈ ভাৰতীয় ৰেলে সকলো ধৰণৰ ব্যৱস্থা হাতত লৈছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ৰেল বোৰ্ডৰ অধ্যক্ষ সতীশ কুমাৰে কয়, যে ইতিমধ্যে চলাচল কৰি থকা বিশেষ ৰেলসমূহৰ উপৰি ৰেল বিভাগে ৬০ খন অতিৰিক্ত ৰেল চলোৱাৰ ব্যৱস্থা কৰিছে। এই অতিৰিক্ত ৰেলসমূহকে ধৰি এইবাৰৰ মৌনী অমাৰস্যা উপলক্ষে প্ৰায় ১৯০ খন বিশেষ ৰেল চলাচল কৰিব বুলি তেওঁ লগতে মন্তব্য কৰে। ভক্তসকলৰ সুবিধাৰ্থে প্ৰয়াগৰাজৰ পৰা প্ৰতি ৪ মিনিটৰ মুৰে মুৰে ৰেলৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০

হাৰিয়ানাৰ কুৰুক্ষেত্ৰ জিলাৰ পেহোৱা সৰস্বতী তীৰ্থত আজি আন্তঃৰাষ্ট্ৰীয় সৰস্বতী মহোৎসৱ আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নয়ব সিং চাইনীয়ে এই মহোৎসৱৰ উদ্বোধন কৰিব। সাত দিনীয়া মহোৎসৱৰ সময়ছোৱাত ২ ফেব্ৰুৱাৰীলৈকে মূল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আনহাতে এই মহোৎসৱত ৪ ফেব্ৰুৱাৰীলৈকে চৰস মেলা অনুষ্ঠিত হ'ব। হাৰিয়ানা সৰস্বতী ঐতিহ্য উন্নয়ন বোৰ্ডৰ উপ সভাপতি ধুমন সিঙে জনোৱা মতে এইবাৰ আদিবদ্ৰীৰ পৰা ৰান অফ কচ্ছলৈকে সৰস্বতী নদীৰ পথৰ সকলো ঐতিহাসিক তীৰ্থস্থানত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে চৰকাৰে কাইলৈ সৰ্বদলীয় বৈঠক আহ্বান কৰিছে। উল্লেখযোগ্য যে শুক্ৰবাৰে আৰম্ভ হ'বলগীয়া সংসদৰ বাজেট অধিৱেশনত শনিবাৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৫-২৬ বৰ্ষৰ বাজেট দাখিল কৰিব ।

ooooo

আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱাললৈ কংগ্ৰেছ আৰু বিজেপিৰ অভিযোগৰ ভিত্তিত নিৰ্বাচন আয়োগে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। আজি নিশা ৮ বজাৰ ভিতৰত অৰবিন্দ কেজৰিৱালক তেওঁ অনা অভিযোগসমূহৰ তথ্য প্ৰমাণ আয়োগৰ ওচৰত দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে অৰবিন্দ কেজিৰালে এটা সাক্ষাৎকাৰত যমুনা নদীৰ পানীৰ বিষক্ৰিয়াক লৈ মন্তব্য আগবঢ়াইছিল। আয়োগে লগতে কয়, যে দিল্লী জলবোৰ্ডে যমুনা নদীৰ পানীৰ বিষক্ৰিয়া সন্দৰ্ভত পৰীক্ষা কৰিছিল। কিন্তু জলবোৰ্ডৰ প্ৰতিবেদনত কোনো ধৰণৰ বিষক্ৰিয়াৰ কথা উল্লেখ কৰা হোৱা নাই।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰোই আজি পুৱা অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা ১০০ সংখ্যক কৃত্ৰিম উপগ্ৰহটো সফলতাৰে উৎক্ষেপন কৰে। আজি পুৱা ৬ বাজি ২৩ মিনিটত সতীশধৱন মহাকাশ কেন্দ্ৰৰ পৰা জি এছ্ এল ভি এফ-15 নামৰ উপগ্ৰহটো উৎক্ষেপন কৰা হয়।

ooooo

ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটান্যাহুএ কয়, যে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অহা 4 ফেব্ৰুৱাৰীত হোৱাইট হাউচলৈ তেওঁক আমন্ত্ৰণ জনাইছে। এই ভ্ৰমণৰ পাছত নেটান্যাহু হ'ব ট্ৰাম্পৰ দ্বিতীয় কাৰ্যকালত ৱাছিংটন ভ্ৰমণ কৰা প্ৰথমজন বিদেশী নেতা। উল্লেখযোগ্য যে গাজাত ১৫ মাহ ধৰি চলি থকা বিধ্বংসী যুদ্ধ স্থগিত ৰখা যুদ্ধবিৰতি অব্যাহত ৰাখিবলৈ আমেৰিকাই ইজৰাইল আৰু হামাছক হেঁচা প্ৰয়োগ কৰাৰ সময়তে এই ভ্ৰমণ কাৰ্যসূচী হাতত লোৱা হৈছে।

ooooo

মধ্য প্ৰদেশত জৈৱিক কৃষিৰ প্ৰতি কৃষকৰ আগ্ৰহ বৃদ্ধি পাইছে। ৰাজ্যখনত দেশৰ ভিতৰতে সৰ্বাধিক ১৫ লাখ ৯২ হাজাৰ হেক্টৰ ভূমিত জৈৱিক পদ্ধতিৰে খেতি কৰা হয়। কেন্দ্ৰীয় কৃষি মন্ত্ৰ্যালয়ৰ প্ৰতিবেদন অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ পৰম্পৰাগত কৃষি উন্নয়ন আঁচনিৰ অধীনত মধ্য প্ৰদেশত ৩ হাজাৰৰো অধিক সমল কেন্দ্ৰ স্থাপন কৰা হৈছে। মধ্য প্ৰদেশ চৰকাৰৰ কৃষি বিভাগে জনোৱা অনুসৰি ৰাজ্যখনৰ মুঠ খেতিৰ মাটি প্ৰায় ডেৰ কোটি হেক্টৰ। ৰাজ্যখনত প্ৰতি বছৰে প্ৰায় ১৫ লাখটন জৈৱিক কৃষি সামগ্ৰী উৎপাদন কৰা হয়। ইয়াৰে ৫ লাখ টনতকৈ অধিক কৃষি সামগ্ৰী ৰপ্তানি কৰা হয়। ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী প্ৰহ্লাদ পেটেলে জনায় যে, জৈৱিক কৃষি প্ৰসাৰৰ বাবে কৃষকসকলক অতিৰিক্ত সাহায্য আগবঢ়োৱা হৈছে। ২০১১ চনত মধ্যপ্ৰদেশ চৰকাৰে জৈৱিক কৃষি নীতি আৰম্ভ কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে জৈৱিক কৃষিক পদ্ধতিক অধিক প্ৰসাৰৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত কালি ইংলেণ্ডে ভাৰতক ২৬ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ১৭২ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি ভাৰতে নিৰ্ধাৰিত

২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৪৫ ৰানহে কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই মুঠ ১৭১ ৰান সংগ্ৰহ কৰিছিল। ইংলেণ্ডৰ হৈ বেন ডাকেটে ২৮ টা বলত ৫১ ৰান আৰু লিয়াম লিভিষ্টনে ২৪টা বলত ৪৩ ৰান সংগ্ৰহ কৰি ইংলেণ্ডক শক্তিশালী স্থিতিত উপনীত কৰোৱায়। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ৫টা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতৰ কোনো এজন বেটছমেনেই ইংলেণ্ডৰ শক্তিশালী বলিং লাইনৰ সন্মুখত তিষ্ঠি থাকিব নোৱাৰিলে। কেৱল হাৰ্ডিক পাণ্ডিয়াইহে ৩৫ বলত ৪০ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ইংলেণ্ডৰ হৈ জেমি অভাৰটমে ভাৰতৰ তিনিটাকৈ গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। উল্লেখযোগ্য যে, ভাৰতে এতিয়ালৈকে ৫খনীয়া শৃংখলাটোৰ ২ খেলত জয়লাভ কৰাৰ বিপৰীতে ইংলেণ্ডে এখন খেলত জয়ী হৈছে।

ooooo

ভাৰতীয় পেছ বলাৰ যশপ্ৰীত বুমৰাক আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ ক্ৰিকেটাৰ হিচাপে ঘোষণা কৰা হৈছে। তেওঁলৈ ২০২৪ বৰ্ষৰ সন্মানীয় ছাৰ গাৰফিল্ড ছোবাৰ্ছ ট্ৰফী আগবঢ়োৱা হৈছে। ৰাহুল দ্ৰাবিড়, শচীন টেণ্ডুলকাৰ, ৰবীচন্দ্ৰন অশ্বীন আৰু বিৰাট কোহলিৰ পিছত প্ৰথমগৰাকী ভাৰতয় পেচ বলাৰ হিচাপে বুমৰাই এই সন্মান লাভ কৰিছে।

ooooo

ৰুৰকেল্লাৰ বীৰচা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা হকী ইণ্ডিয়া লীগত কালি গ'নাছিকাই হায়দৰাবাদ টুফানছৰ বিৰুদ্ধে ৩-১ গলৰ ব্যৱধানত জয়লাভ কৰে। খেলখনৰ আৰম্ভণিৰ মাত্ৰ ২০ চেকেণ্ডত হায়দৰাবাদৰ জেকভ এণ্ড্ৰাছনে প্ৰথমটো গল দিয়ে। পৰৱৰ্তী সময়ত অমনদীপ লাক্ৰা আৰু টীম ব্ৰেণ্ডে এটাকৈ গল দিয়ে। অৱশ্যে গ'নাছিকাই শক্তিশালী প্ৰত্যাৱৰ্তনেৰে পৰৱৰ্তী সময়ত খেলখনত সমতা স্থাপন কৰে। গ'নাছিকাৰ হৈ ভিক্টৰ ছাৰ্লেট আৰু অৰিজিৎ সিং হুণ্ডালে তিনিওটা গল দিয়ে। নিৰ্ধাৰিত সময়ত খেলখনত সমতা স্থাপন হোৱাৰ পাছত শ্বুট আউট পদ্ধতিত গ'নাছিকাই জয়লাভ কৰে। প্ৰতিযোগিতাত আজি সন্ধিয়া ৬ বজাত ছুৰমা হকী ক্লাব শ্ৰাচী ৰাহ বেংগল টাইগাৰৰ মুখামুখি হ'ব। আনহাতে ৮ বজাত অনুষ্ঠিত হ'বলগীয়া এখন খেলত ইউ পি ৰুদ্ৰই তামিলনাডু ড্ৰেগনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত